**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-02-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***

**::::::::::::::::::::::::::::::::**

০০০০০০

১। ভাৰতে পাকিস্তানক সন্ত্ৰাসবাদৰ গোলকীয় কেন্দ্ৰ আখ্যা দিছে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত গঠিত উচ্চ পৰ্যায়ৰ কমিটিখনে যোৱা বছৰ বান, আকস্মিক বান, ভূমিস্খলন আৰু ঘূৰ্ণিবতাহৰ দৰে প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত ৫খন ৰাজ্যলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি পুঁজিৰ পৰা এহেজাৰ ৫৫৪কোটিৰো অধিক টকাৰ অতিৰক্তি কেন্দ্ৰীয় সাহায্যত অনুমোদন জনাইছে।

৩। ভাৰতীয় জনতা পাৰ্টীৰ দিল্লীৰ বিধায়িনী দলৰ বৈঠক আজি বিয়লি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

৪। জ্ঞানেশ কুমাৰে আজি নতুন দিল্লীৰ নিৰ্বাচন সদনত নতুন মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে।

*আৰু*

৫। হামাছে গাজা যুদ্ধি বিৰতি চুক্তিৰ দ্বিতীয় পৰ্যায়ত এবাৰতে ইজৰাইলৰ সকলো পণবন্দী আৰু পেলেস্তাইনী কয়দীৰ বিনিময়ৰ প্ৰস্তাৱ দিছে।

০০০০০০

ভাৰতে পাকিস্তানক সন্ত্ৰাসবাদৰ গোলকীয় কেন্দ্ৰ আখ্যা দিছে। ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি পাৰ্বিথানেনি হৰিছে কালি নিৰাপত্তা পৰিষদত কয়, যে ৰাষ্ট্ৰসংঘই সন্ত্ৰাসবাদী হিচাপে গণ্য কৰা ২০ টাৰো অধিক সংগঠনক আশ্ৰয় প্ৰদান কৰা সীমান্তৰে চলা সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰা ইছলামাবাদে সন্ত্ৰাসবিৰোধী যুঁজত অগ্ৰণী ভূমিকা পালন কৰা বুলি কৰা দাবী সঁচাকৈ হাস্যস্পদ। তেওঁ কয়, যে ভাৰত জেইজ এ মহম্মদ আৰু হৰকট উল মুজাহিদিনৰ দৰে কেইবাটাও গোটসমূহত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বলি হৈ আহিছে। কাশ্মীৰ সন্দৰ্ভত পাকিস্তানৰ উপ প্ৰধানমন্ত্ৰী ইছাক ডাৰে কৰা মন্তব্যৰ প্ৰত্যুত্তৰত শ্ৰী হেৰিছে কয়, যে দেশখনেই জম্মু-কাশ্মীৰৰ এটা অংশ অবৈধভাৱে দখল কৰি আছে। তেওঁ কয়, যে জম্মু- কাশ্মীৰৰ জনসাধাৰণে যোৱা বছৰ বিধানসভা নিৰ্বাচনত ব্যাপক হাৰত ভোটদান কৰি দেশৰ প্ৰতি স্পষ্ট আনুগত্য প্ৰকাশ

কৰিছে। পাকিস্তানৰ অপপ্ৰচাৰৰ সমালোচনা কৰি স্থায়ী প্ৰতিনিধিগৰাকীয়ে কয়, যে এনে কৰি তেওঁলোকে প্ৰকৃত তথ্য সলনি কৰিব নোৱাৰে।

00000

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত গঠিত উচ্চ পৰ্যায়ৰ কমিটিখনে যোৱা বছৰ বান, আকস্মিক বান, ভূমিস্খলন আৰু ঘূৰ্ণিবতাহৰ  দৰে প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত ৫খন ৰাজ্যলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি পুঁজিৰ পৰা এহেজাৰ ৫৫৪কোটিৰো অধিক টকাৰ অতিৰিক্তি কেন্দ্ৰীয় সাহায্যত অনুমোদন জনাইছে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে অন্ধ্ৰপ্ৰদেশৰ বাবে ৬০৮ কোটি, নাগালেণ্ডৰ বাবে ১৭০ কোটিৰো অধিক, ত্ৰিপুৰাৰ বাবে ২৮৮ কোটিৰো অধিক, ওড়িশাৰ বাবে ২৫৫ কোটি আৰু তেলেংগানাৰ বাবে ২৩১ কোটিৰো অধিক টকাত অনুমোদন দিয়া হৈছে।  ৰাজ্যিক দুৰ্যোগ সহাৰি পুঁজিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহলৈ ইতিমধ্যে আৱন্তন কৰা পুঁজিৰ ওপৰঞ্চি এই  সাহাস্য প্ৰদান কৰা হৈছে বুলি গৃহ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ সহাৰি পুঁজিৰ অধীনত ২৭খন ৰাজ্যলৈ ১৮ হাজাৰ ৩২২ কোটিৰো অধিক টকা আৰু ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনী পুঁজিৰ পৰা ১৮খন ৰাজ্যলৈ ৪ হাজাৰ ৮০৮ কোটিৰো অধিক টকা মোকলাই দিছে।

00000

মহান মাৰাঠা যোদ্ধা,ৰজা ছত্ৰপতি শিৱাজী মহাৰাজৰ ৩৯৫ সংখ্যক জন্ম জয়ন্তী আজি পালন কৰা হৈছে । মহাৰাষ্ট্ৰৰ পুনে জিলাৰ শিৱনেৰী দুৰ্গত ১৬৩০ চনত জন্ম গ্ৰহণ কৰা ছত্ৰপতি শিৱাজীয়ে মাৰাঠা সাম্ৰাজ্যৰ ভেটি স্থাপন কৰি মোগল শাসনক প্ৰত্যাহ্বান জনাইছিল ।  তেওঁৰ প্ৰগতিশীল নেতৃত্ব,সামৰিক বুদ্ধিমত্তা,সাহস,প্ৰজ্ঞা আৰু স্বৰাজ্যৰ বাবে থকা অদম্য সাধনাৰ বাবে ছত্ৰপতি শিৱাজীক বহুলভাৱে প্ৰশংসা কৰা হয় ।  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ছত্ৰপতি শিৱাজীৰ জন্ম জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে

। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোডীয়ে কয় যে শিৱাজীৰ বীৰত্ব আৰু দূৰদৰ্শী নেতৃত্বই স্বৰাজ্যৰ ভেটি স্থাপন কৰাৰ লগতে প্ৰজন্মৰ পাছত প্ৰজন্মক সাহস আৰু ন্যায়ৰ মূল্যবোধক অক্ষুণ্ণ ৰাখিবলৈ প্ৰেৰণা দিয়ে । প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে শিৱাজী মহাৰাজে নাগৰিকসকলক এটা শক্তিশালী,স্বাৱলম্বী আৰু সমৃদ্ধিশালী জাতি গঢ়ি তোলাৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰে বুলিও উল্লেখ কৰে ।

00000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে দ ক্ষিণ আফ্ৰিকাৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু সহযোগিতা মন্ত্ৰী ৰোনাল্ড লামোলাৰ আমন্ত্ৰণ মৰ্মে জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে জোহান্সবাৰ্গলৈ বুলি ৰাওনা হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্যালয়ে প্ৰকাশ কৰা মতে বিদেশ মন্ত্ৰীসকলৰ বৈঠকত ড০ জয়শংকৰৰ অংশগ্ৰহণে জি-২০ ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী কৰিব আৰু এই গুৰুত্বপূৰ্ণ মঞ্চত গ্ল'বেল চাউথ ৰূপে পৰিচিত অৰ্থনীতি আৰু ঔদ্যোগীক দিশৰ পৰা তুলনামূলক ভাৱে কম উন্নত ৰাষ্ট্ৰসমূহৰ কন্ঠ সুদৃঢ় কৰিব। ড০ জয়শংকৰে বিদেশ মন্ত্ৰীসকলৰ বৈঠকত ভাগ লোৱাৰ আ পাহতে কেইবাখনো দ্বিপাক্ষিক বৈঠকতো মিলিত হোৱাৰ সম্ভাৱনা আছে।

00000

অসম বিধানসভাৰ বাজেট অধিবেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্যসূচী হুলস্থলীয়া পৰিবেশৰ মাজত আৰম্ভ হয়। শূন্যকালত বিৰোধী পক্ষই কয়লা ছিণ্ডীকেট, অসম চুক্তিৰ ৬ নম্বৰ দফা, দিটেনছন কেন্দ্ৰক সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰে আৰু বিষয়কেইটা সন্দৰ্ভত আলোচনাৰ দাবী জনাই সদনৰ মজিয়ালৈ উঠি গৈ ধৰ্ণা দিবলৈ ধৰে। ইয়াৰ বিপৰীতে শাসকীয় পক্ষৰ সদস্যসকলেও অসম লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰী সম্পৰ্কে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা সমিতিৰ প্ৰতিবেদনক লৈ আলোচনাৰ দাবীত ধৰ্ণা দিয়ে। এ নে হুলস্থলীয়া পৰিস্থিতিৰ বাবে অধ্যক্ষই তিনিবাৰকৈ সদনৰ কাৰ্যক্ৰমণিকা স্থগিত ৰাখিবলৈ বাধ্য হয়। তিনিবাৰকৈ কাম-কাজ স্থগিত ৰখাৰ পাছত সদন পুনৰ মিলিত হোৱাৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব

শৰ্মাই বিধায়কসকলে উত্থাপন কৰা বিষয়সমূহক আলোচনা কৰিবলৈ ৰাজ্য চৰকাৰ সাজু বুলি মন্তব্য কৰে আৰু উপাধক্ষ্যক আলোচনাৰ দিনবাৰ নিৰ্ধাৰণ কৰিবলৈ অনুৰোধ জনায়।

০০০০

ভাৰতীয় জনতা পাৰ্টীৰ দিল্লীৰ বিধায়িনী দলৰ বৈঠক আজি বিয়লি নতুন দিল্লীত অনুষ্ঠিত হ'ব। বৈঠকত দলৰ নৱ নিবাৰ্চিত বিধায়ক আৰু জ্যেষ্ঠ নেতাসকলে ভাগ ল'ব। দিল্লীত পৰৱৰ্তী মুখ্যমন্ত্ৰীৰ নাম এই বৈঠকতে চূড়ান্ত কৰা হ'ব। দিল্লীৰ ৰামলীলা মৈদানত কাইলৈ বিয়লি নতুন মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিজেপিয়ে দিল্লী বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনত ৭০ খন আসনৰ ভিতৰত ৪৮খনত জয়লাভ কৰিছে।

০০০০০

জ্ঞানেশ কুমাৰে আজি নতুন দিল্লীৰ নিৰ্বাচন সদনত নতুন মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। শ্ৰী কুমাৰ কালি কাৰ্যকাল সম্পূৰ্ণ হোৱা ৰাজীৱ কুমাৰৰ স্থলাভিষিক্ত হৈছে।

মুখ্য নিৰ্বাচন আয়ুক্ত হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত জনসাধাৰণলৈ দিয়া এটা বাৰ্তাত শ্ৰী কুমাৰে কয়, যে ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰথম খোজেই হ'ল ভোটদান আৰু ১৮ বছৰ সম্পূৰ্ণ হোৱা প্ৰতি গৰাকী নাগৰিকে ভোটদান কৰা উচিত। তেওঁ কয় যে দেশৰ সংবিধান, নিৰ্বাচনী আইন, নিয়ম আৰু নিৰ্দেশনা অনুযায়ী নিৰ্বাচন আয়োগে সদায় ভোটদাতাসকলৰ সৈতে আছে আৰু আগলৈয়ো থাকিব।

ইয়াৰ পূৰ্বে শ্ৰী কুমাৰ যোৱা বছৰ ১৫ মাৰ্চৰ পৰা নিৰ্বাচন আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। নিৰ্বাচন আয়ুক্ত হিচাপে তেওঁৰ কাৰ্যকালত অষ্টাদশ লোকসভা আৰু জম্মু-কাশ্মীৰ, হাৰিয়ানা, মহাৰাষ্ট্ৰ, ঝাৰখণ্ড আৰু দিল্লী বিধানসভাৰ নিৰ্বাচন সম্পন্ন হয়।

০০০০০

হামাছে গাজা যুদ্ধি বিৰতি চুক্তিত দ্বিতীয় পৰ্যায়ত এবাৰতে ইজৰাইলৰ সকলো পণবন্দী আৰু পেলেস্তাইনী কয়দীৰ বিনিময়ৰ প্ৰস্তাৱ দিছে। হামাছে লগতে শনিবাৰে প্ৰথম পৰ্যায়ত মুকলি কৰি দিবলগীয়া ৬ গৰাকী পণবন্দীক মুকলি কৰি দিব আৰু আন চাৰিটা মৃতদেহ কাইলৈ ঘূৰাই দিব বুলি ঘোষণা কৰিছে।

ইফালে ইজৰাইলৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী গিডোন ছাৰে কৈছে যে শান্তি চুক্তিত দ্বিতীয় পৰ্যায় সন্দৰ্ভত এই সপ্তাহত আলোচনা হ'ব।

০০০০০

গাঁৱৰ নাগৰিকসকলৰ জীৱন আৰু অধিক আৰামদায়ক কৰি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে কেইবাটাও বৈপ্লৱিক পদক্ষেপ গ্ৰহণ কৰিছে বুলি গ্ৰামীণ উন্নয়ণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে উল্লেখ কৰে । এই পদক্ষেপসমূহে দেশৰ অৰ্থনীতিত এটা

নতুন গতি প্ৰদান কৰিছে । আজি নতুন দিল্লীত এছিয়ান আফ্ৰিকান গ্ৰামোন্নয়ন সংস্থা, AARDO ৰ কাৰ্যকৰী কমিটিৰ ৭৭সংখ্যক অধিৱেশন উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এনেদৰে কয় । ভাৰতে AARDO ৰ জৰিয়তে জ্ঞান,কাৰিকৰী বিশেষজ্ঞতা,সফল নীতি আৰু কাৰ্যসূচীৰ আদান প্ৰদান অব্যাহত ৰাখিব বুলি শ্ৰী চৌহানে আশ্বাস প্ৰদান কৰে । ভাৰতে AARDO ক প্ৰদান কৰা অদম্য সমৰ্থন আৰু সহায়ৰ জৰিয়তে গ্ৰাম্য সমাজক সৱলীকৰণ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিশ্চয়তা আইন, প্ৰধানমন্ত্ৰী গ্ৰামীণ পথ যোজনা,এজোপা গছ মাতৃৰ নামত অভিযান,লাখপতি বাইদেউ যোজনাৰ দৰে আঁচনি আৰু পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰি শ্ৰী চৌহানে কয় যে পূৰ্বে খাদ্যৰ বাবে ভাৰতে আন দেশৰ ওপৰত নিৰ্ভৰশীল আছিল যদিও আজি দেশখনে কেৱল খাদ্য উৎপাদনত স্বাৱলম্বী হোৱাই নহয় আন দেশসমূহকো সহায় কৰিছে। ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ জৰিয়তে প্ৰায় ১০ কোটি মহিলাক ৯০ লাখ আত্মসহায়ক গোটত অন্তৰ্ভুক্ত কৰা হৈছে আৰু তেওঁলোকক ৫০ হাজাৰ কোটিৰো অধিক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত প্ৰায় ১ কোটি ২৫ লাখ মহিলাই লাখপতি বাউদেউ হ'বলৈ সক্ষম হৈছে বুলিও শ্ৰী চৌহানে জানিবলৈ দিয়ে । 0000

0000

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ নৱম সংস্কৰণ আজি আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত পাকিস্তানৰ কৰাচীত আজি যোৱাবাৰৰ বিজয়ী পাকিস্তান নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

পাকিস্তান আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰত হ'বলগীয়া আৰু বিশ্বৰ শীৰ্ষস্থানৰ ৮খন দেশে অংশ ল'বলগীয়া প্ৰতিযোগিতাখনৰ গ্ৰুপ-এত ভাৰত, নিউজিলেণ্ড, বাংলাদেশ আৰু আয়োজক পাকিস্তান তথা গ্ৰুপ-বিত আফগানিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাক ৰখা হৈছে। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন অহা ৯ মাৰ্চত খেলোৱা হ'ব। ২০১৭ চনত অনুষ্ঠিত চেম্পিয়নছ ট্ৰফীৰ শেহতীয়া সংস্কৰণত

পাকিস্তানে ভাৰতক পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছিল। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতে কাইলৈ ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

০০০০